# এটা ভুলৰ সংশোধন



লিখক

হজৰত মির্জা গোলাম আহমদ কাদিয়ানী

মছীহ  ও মাহদী  (আঃ)

# এটা ভুলৰ সংশোধন

লিখক ঃ
হজৰত মির্জা গোলাম আহমদ কাদিয়ানী প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)

# এটা ভুলৰ সংশোধন



| | |
|---|---|
| নাম কিতাপ | এটা ভুলৰ সংশোধন |
| অনুবাদক | আজিবৰ ৰহমান মুৰব্বী ছিলছিলা |
| লিখক | হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী |
| প্ৰথম প্ৰকাশ | ২০২০, ১০০০ কপি |
| প্ৰকাশক | নজাৰত নশ্বৰ ইশ্বায়ত কাদিয়ান, |
| মুদ্ৰণে | ফজলে ওমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান, জিলা গুৰদাছপুৰ,পিন, ১৪৩৫১৬ পঞ্জাৱ |

| | |
|---|---|
| **Name book** | **Ata bhulr sansodan** |
| **Original Book** | **Ek galti ka izala** |
| **Author** | **Hazrat Mirza Ghulam Ahmaed Qadiani** |
| **Translated by** | **Ajeebur Rahman Murabbi silsila** |
| **First published** | **2020, (1000 Copies)** |
| **Published by** | **Nazarat Nashr-O-Ishaat, Qadian** |
| **Printed at** | **Fazle Umar Printing Press, Qadian,Dist. Gurdaspur 143516 Punjab** |

# প্ৰকাশকৰ কথা

হজৰত মছীহ মাওউদ (আঃ)ৰ লিখিত পুস্তক “এক গলতি কা ইজালা” পুস্তকখনৰ অনুবাদ মাননীয় আজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা কৰিছে।এই কিতাপখন **Review** কৰিছে **Review** কমিটিৰ **President** মাননীয় আমান আলী চাহাব মুৰব্বী ছিলছিলা,মাননীয় নাজিমুদ্দিন মোল্লা চাহাব মুৰব্বী ছিলছিলা,মাননীয় ৰহিম বাদশ্বাহ চাহাব মুৰব্বি ছিলছিলা। অসমীয়া ডেস্কৰ ইনচাৰ্জ মজিবৰ ৰহমান চাহাবে পুস্তকখন চালি-জাৰি চাই অত্যাৱশ্যকীয় সংশোধন কৰিছে। এই পুস্তকখনৰ অনুবাদক আৰু **Review** আৰু শুধৰণী কৰাত সহায় সহযোগীতা আগবঢ়োৱা সকলক আল্লাহ তায়লা উত্তম পুৰস্কাৰে পুৰস্কৃত কৰক। আমিন

নাজিৰ নশ্বৰ ইশ্বায়ত কাদিয়ান

بسم الله الرحمٰن الرحيم

نحمده ونصلى على رسوله الكريم

# এটা ভুলৰ সংশোধন

মোৰ জমাতৰ কিছুমান সদস্যই যিসকলে মোৰ কিতাপসমূহ মনোযোগ সহকাৰে অধ্যয়ন কৰাৰ সুযোগ পোৱা নাই,আৰু জ্ঞানৰ বিষয় সমূহ সম্পূৰ্ণ ৰূপে অৱগত হোৱাৰ বাবে যথেষ্ট সময় মোৰ সহচৰ্যত দিব পৰা নাই,সিহঁতে মোৰ দাবী আৰু প্ৰমাণ সম্পৰ্কে জনাৰ বিশেষ জ্ঞান নথকাৰ বাবে কোনো কোনো ক্ষেত্ৰত বিৰুদ্ধবাদী সকলৰ আপত্তি শুনি এনেধৰণৰ উত্তৰ দি থাকে যিটো বাস্তৱ ঘটনাৰ সম্পূৰ্ণ বিপৰীত। যাৰ বাবে সৎ বাটত থাকিও সিহঁত লজ্জিত হ'বলগীয়া হয়। কেইদিনমান হ'ল,এনেধৰণৰ এজন মানুহৰ ওচৰত কোনো এজন বিৰুদ্ধবাদীয়ে আপত্তি জনায় যে,তুমি যাৰ ওচৰত বয়াত (শিষ্যত্ব গ্ৰহণ) কৰিছা তেওঁ নবী আৰু ৰছুল হোৱাৰ দাবী কৰিছে। ইয়াৰ উত্তৰ কেৱল অস্বীকাৰ জ্ঞাপক শব্দত দিয়া হৈছিল।কিন্তু এনে ধৰণৰ উত্তৰ সঠিক নহয়।আচল কথা এয়া যে,মোৰ প্ৰতি অৱতীৰ্ণ আল্লাহৰ ওহীসমূহত নবী,ৰছুল আৰু মুৰছাল(আল্লাহৰ প্ৰেৰিত) শ্ৰেণীৰ শব্দ এবাৰ দুবাৰ নহয়,শ শ বাৰ বিদ্যমান আছে। গতিকে মোৰ ওহীৰ মাজত এয়া নাই বুলি কোৱাটো কেনেকৈ সত্য হ'ব পাৰে ? কিন্তু এতিয়া এনে শব্দ আগৰ তুলনাত স্পষ্ট আৰু অধিক ভাৱে ব্যৱহৃত হৈ আছে।

২২ বছৰ আগত লিখিত মোৰ **বৰাহিনে আহমদীয়া** নামক পুস্তকত এনে ধৰণৰ শব্দৰ ব্যৱহাৰ কমকৈ হোৱা নাই,সেই পুস্তকত প্ৰকাশিত আল্লাহৰ ওহীসমূহৰ মাজত এটা হ'ল,

هُوَ الَّذِىٓ اَرۡسَلَ رَسُوۡلَهٗ بِالۡهُدٰى وَدِيۡنِ الۡحَقِّ لِيُظۡهِرَهٗ عَلَى الدِّيۡنِ كُلِّهٖ

(61:10)

বৰাহিনে আহমদীয়া পৃঃ৪৯৮ত স্পষ্ট ভাৱে মোক ৰছুল কোৱা হৈছে। ইয়াৰ উপৰিও আকৌ এই পুস্তকতেই মোৰ বিষয়ে আল্লাহৰ এই ওহী বিদ্যমান আছে যে,

جری اللہ فی حلل الانبیاء

অৰ্থাৎ নবী সকলৰ পোছাকত আল্লাহৰ ৰছুল।(বৰাহিনে আহমদীয়া পৃঃ ৫০৪)।আকৌ এই পুস্তকতেই উক্ত ওহীৰ লগত আল্লাহৰ এই ওহীও আছে যে,

محمّد الرسول اللہ والذین معہ اشداء علی الکفار رحماء بینھم

এই ঐশী বাণীত মোৰ নাম মহম্মদ ৰখা হৈছে আৰু ৰছুলও।এই পুস্তকত ৫৫৭ নং পৃষ্ঠাত আৰু এটা ওহী এয়া আছে যে, دنیا میں ایک نذیر آیا

অৰ্থাৎ পৃথিৱীত এজন সতৰ্ককাৰী আহিছে।এই ওহীৰ আৰু এটা বৰ্ণনা আছে যে, دنیا میں ایک نبی آیا

অৰ্থাৎ পৃথিৱীত এজন নবী আহিছে।এনেদৰে বৰাহিনে আহমদীয়াত আৰু বহু ঠাইত মোক ৰছুল বুলি সম্বোধন কৰা হৈছে।

প্ৰশ্ন হ’ব পাৰে যে,আঁহজৰত (ছাঃ) যিহেতু খাতামান নাবিয়িন তেনেহলে তেখেত (ছাঃ)ৰ পিছত কেনেদৰে নবী আহিব পাৰে।ইয়াৰ উত্তৰ হ’ল,:ঠিক তেনেদৰে নতুন বা পুৰণি(পুৰাতন) নবী নিশ্চয় আহিব নোৱাৰে,যেনেকৈ আপোনালোকে বিশ্বাস পোষণ কৰি আছে যে,শেষ যুগত ঈছা (আঃ) নামি আহিব আৰু তেতিয়াও তেখেত নবী হৈ থাকিব। চল্লিচ বছৰ ধৰি তেখেতৰ ওপৰত নবুয়তৰ ওহী অৱতীৰ্ণ হৈ থাকিব,আৰু তেখেতৰ নবুয়তকাল আঁহজৰত (ছাঃ)ৰ নবুয়ত কালতকৈ দীৰ্ঘ হ’ব।এনে ধৰণৰ বিশ্বাস পোষণ কৰাটো নিশ্চয় পাপ।পৱিত্ৰ কোৰাণ শ্বৰীফৰ আয়াত

وَلٰكِنْ رَّسُوْلَ اللّٰهِ وَخَاتَمَ النَّبِيّٖنَ

(33:41)

হাদীছ لا نبی بعدی উক্ত বিশ্বাসক সম্পূৰ্ণ ভাৱে মিছা প্ৰমাণীত কৰি আছে আৰু আমি এনে ধৰণৰ আকিদাৰ (বিশ্বাসৰ)কঠিন বিৰোধী।আমি উক্ত আয়াতৰ ওপৰত পূৰ্ণ আৰু সঁচাকৈ বিশ্বাস পোষণ কৰো।

এই আয়াতৰ মাজত আল্লাহ তায়লাই এটা ভৱিষ্যতবাণী কৰিছে,আমাৰ বিৰুদ্ধবাদী সকলে সেয়া নাজানে। আল্লাহ তায়লাই এই আয়াতৰ দ্বাৰা জনাইছে যে,আঁহজৰত (ছাঃ)ৰ পিছত কিয়ামত পৰ্যন্ত ভৱিষ্যতবাণীৰ পথ ৰুদ্ধ কৰা হৈছে আৰু এয়া সম্ভৱ নহয় যে, ইয়াৰ পিছত কোনো হিন্দু,ইহুদী,খ্ৰীষ্টান বা কোনো নামধাৰী মুছলমান নিজকে নবী বুলি সাব্যস্ত কৰিব।নবুয়তৰ সকলো পথ ৰুদ্ধ কৰি দিয়া হৈছে,কিন্তু এটা বাট ছিৰাতে ছিদ্দিকিৰ (ছিদ্দিকিয়তৰ বাট)মুকলি কৰা আছে যাক **ফানাফিৰ ৰছুল** বুলি কোৱা হয়। গতিকে যি ব্যক্তি এই পথেৰে খোদাৰ নিকটৱৰ্তী হয় তাক প্ৰতিচ্ছবি ৰূপে মুহম্মদী নবুয়তৰ পদবীত অধিষ্ঠিত কৰা হয়।এনেদৰে যিয়ে নবী হয় তেওঁ ক্ৰোধৰ পাত্ৰ নহয়।কিয়নো এয়া তাৰ নিজস্য সতন্ত্ৰ নবুয়ত নহয়,এয়া তেওঁ তাৰ নিজৰ নবীৰ উৎসৰ পৰা গ্ৰহণ কৰে আৰু নিজৰ গৌৰৱৰ বাবে নহয় বৰং তাৰ নবীৰ গৌৰৱ প্ৰকাশৰ বাবে।এই কাৰণে আকাশত তেওঁৰ নাম মহম্মদ আৰু আহমদ। ইয়াৰ অৰ্থ হ'ল মহম্মদ (ছাঃ)ৰ নবুয়তৰ অৱশেষত যদিওবা বুৰুজী (ৰাশিচক্ৰ) আকাৰত প্ৰকাশ পায় তথাপিও এয়া মহম্মদে হে পালে,আন কোনেও নাপালে।গতিকে আল্লাহ তায়লাই কৈছে,

مَاكَانَ مُحَمَّدٌ اَبَآ اَحَدٍ مِّنْ رِّجَالِكُمْ وَلٰكِنْ رَّسُوْلَ اللّٰهِ وَخَاتَمَ النَّبِيّٖنَ ؕ
(33:41)

এই আয়াতৰ অৰ্থ এনেদৰে হয় যে,

**لَيْسَ مُحَمَّدٌ اَبَآ اَحَدٍ مِّنْ رِّجَالِ الدُّنْيَا ولٰكِنْ هُوَ اَبٌ لِرِجَالِ الْاٰخِرَةِ لِاَنَّهٗ خَاتَمَ النَّبِيّٖنَ وَلَا سَبِيْلَ اِلٰى فُيُوْضِ اللّٰهِ مِنْ غَيْرِ تَوَسُّطِهٖ**

অৰ্থাৎ মহম্মদ (ছাঃ) এই পৃথিৱীবাসীৰ কোনো পুৰুষৰ পিতৃ নহয়।তেখেত পৰকালবাসী পুৰুষ সকলৰ পিতৃহে, কিয়নো তেখেত খাতামান নাবিয়িন। তেখেতৰ সূত্ৰ বিহীন আল্লাহৰ অনুগ্ৰহ অৰ্জনৰ আন কোনো বাট মুকলি নাই। মুঠতে মই মহম্মদ আৰু আহমদ হোৱাৰ বাবে নবুয়ত আৰু ৰিছালত অৰ্জন কৰিবলগীয়া হৈছোঁ। নিজৰ সাধ্যৰ বাবে নহয়। **ফানাফিৰ ৰছুল** হৈ

অৰ্থাৎ নিজকে ৰছুলৰ মাজত সম্পূৰ্ণৰূপে বিলীন কৰি দি এয়া অৰ্জন কৰিছোঁ আৰু ইয়াত খাতামান নাবিয়িনৰ অৰ্থৰ ফালেদি একো ব্যতিক্ৰম ঘটা নাই। কিন্তু যদি ঈছা (আঃ) পুনৰায় এই পৃথিৱীত উভতি আহে তেনেহলে নিশ্চয় (খাতামান নাবিয়িনৰ অৰ্থৰ ফালেদি ব্যতিক্ৰম ঘটিব।

মনত ৰাখিব যে,যিজনে আল্লাহৰ পৰা কিবা জানি অদৃশ্যৰ সংবাদ জনায়,অভিধান অনুসৰি সেইজন হ'ল এজন নবী। গতিকে য'ত এই অৰ্থ বুজায় তাত নবী শব্দৰ প্ৰয়োগ সঙ্গত হ'ব। প্ৰত্যেক জন নবীৰ বাবে ৰছুল হোৱা চৰ্ত আছে। কিয়নো যদি তেখেত ৰছুল নহয় তেনেহলে নিৰ্মল অদৃশ্যৰ খবৰ তেখেত পাব নোৱাৰে।

فَلَا يُظۡهِرُ عَلٰى غَيۡبِهٖۤ اَحَدًا ۙ﴿۲۷﴾ اِلَّا مَنِ ارۡتَضٰى مِنۡ رَّسُوۡلٍ (72:27,28)

আল্লাহ তায়লা কাকো অদৃশ্যৰ সংবাদৰ আধিপত্য প্ৰদান নকৰে কিন্তু (কেৱল সেই ব্যক্তিক তেওঁ ৰছুল হিচাপে মনোনীত কৰে।(চুৰা জিন আয়াত ২৭,২৮)

এই আয়াত এনে ধৰণৰ সংবাদ লাভৰ পৰিপন্থী,যদি হজৰত মহম্মদ (ছাঃ)ৰ পিছত এই অৰ্থৰ পৰিপেক্ষিতত নবীৰ আগমন অস্বীকাৰ কৰিবলগীয়া হয় তেনেহলে এয়া নিশ্চয় মানি ল'ব লাগিব যে উম্মতে মহম্মদীয়া আল্লাহৰ লগত বাক্যালাপৰ  সৌভাগ্যৰ পৰা বঞ্চিত। কিয়নো যাৰ ওচৰত আল্লাহৰ ফালৰ পৰা অদৃশ্যৰ সংবাদ প্ৰকাশিত হয়।فَلَا يُظۡهِرُ عَلٰى غَيۡبِهٖۤ আয়াত অনুযায়ী তেওঁৰ ওপৰত নবী শব্দৰ মৰ্ম প্ৰযুক্ত হ'ব। এনেদৰে যিজন ব্যক্তি আল্লাহৰ ফালৰ পৰা প্ৰেৰিত হ'ব তেখেতক আমি ৰছুল বুলি কম, ইয়াৰ মাজত পাৰ্থক্য এয়াই যে,হজৰত মহম্মদ (ছাঃ)ৰ পিছত কিয়ামত পৰ্যন্ত নতুন চৰিয়তী কোনো ৰছুল বা নবী নাহিব।অথবা কোনো ব্যক্তি কোনো নবী নাম লাভৰ অধিকাৰী নহ'ব। যিয়েই হজৰত মহম্মদ (ছাঃ)ৰ আনুগত্য নকৰে আৰু এনে মানাফিৰ ৰছুল অৰ্থাৎ হজৰত মহম্মদ (ছাঃ)ৰ মাজত বিলীন নহয়। যাৰ ফলশ্ৰুতিত আকাশত তেওঁৰ নাম মহম্মদ ৰখা

হয়। “ওৱা মান আদ্দা ফাকাদ কাফাৰা” অৰ্থাৎ যিজনে (সতন্ত্র ভাৱে) দাবী কৰে তেওঁ নিশ্চয় কাফিৰ। ইয়াৰ মাজত আচল তত্ব এয়া যে, খাতামান নাবিয়িন শব্দৰ মৰ্ম অনুসৰি স্বতন্ত্রৰ সামান্য পৰিমাণ চিহ্নও বাকী থকা অৱস্থাত কোনো ব্যক্তি নবুয়তৰ দাবী কৰিলে তেওঁ খাতামান নাবিয়িনৰ মাজত এনেদৰে বিলীন হৈ যায় যে,তাৰ লগত একান্ত একত্রিত হৈ আৰু উক্ত স্বতন্ত্রৰ পূৰ্ণ বিলোপ সাধনৰ দ্বাৰা তাৰ নাম লাভ কৰে আৰু অৱশেষত পৰিষ্কাৰ দাপোনৰ নিচিনা তেওঁৰ মাজত হজৰত মহম্মদ (ছাঃ)ৰ ছবি ফুটি উঠে তেনে ক্ষেত্রত মোহৰ নভঙাকৈয়ে তেওঁ নবী বুলি আখ্যায়িত হয়,কাৰণ প্রতিচ্ছবি ৰূপে তেওঁ মহম্মদ (ছাঃ)।

মহম্মদ আৰু আহমদ নামত অভিহিত এইজন প্রতিবিম্বত ব্যক্তিৰ নবী আৰু ৰছুলৰ দাবী সত্বেও হজৰত মহম্মদ (ছাঃ)ৰ নিজৰেই প্রতিকৃতি আৰু তেখেতৰ নামেৰে নামাকৰণ। কিন্তু ঈছা (আঃ)ৰ স্বতন্ত্র নবী হোৱাৰ বাবে খাতমে নবুওতৰ মোহৰ নভঙাকৈ আহিব নোৱাৰে। যদি বুৰুজী ভাৱে কোনোবাই নবী বা ৰছুল হ’ব নোৱাৰে তেনেহলে

اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۙ‏ এই প্রাৰ্থনাৰ অৰ্থ কি ?

(*) মনত ৰাখিব যে,এই উম্মতৰ বাবে সেইবোৰ অনুগ্রহ প্রতিজ্ঞা আছে যিবোৰ অতিতত নবী আৰু ছিদ্দিক সকলে অৰ্জন কৰিছিল। উক্ত অনুগ্রহৰ মাজত সেই নবুয়ত আৰু ভৱিষ্যতৰ সংবাদ বিদ্যমান আছে যাৰ বাবে অতিতৰ নবী সকলে নবী বুলি আখ্যায়িত হৈছিল।পৱিত্র কোৰাণ শ্বৰীফ নবী আৰু ৰছুলৰ বাহিৰে আন সকলোৰে প্রতি অদৃশ্য বা ভৱিষ্যতৰ জ্ঞানৰ দুৱাৰ বন্ধ কৰি দিছে যে,যিদৰে

فَلَا يُظۡهِرُ عَلٰى غَيۡبِهٖۤ اَحَدًا ۙ‏ اِلَّا مَنِ ارۡتَضٰى مِنۡ رَّسُوۡلٍ (72:27,28)

এই আয়াতৰ দ্বাৰা প্রমাণিত হয়। গতিকে স্পষ্ট ভাৱে অদৃশ্যৰ সংবাদ

পাব বিচাৰিলে নবী হোৱাটো প্ৰয়োজনীয়। اَنۡعَمۡتَ عَلَیۡهِمۡ আয়াত এই সাক্ষ্য প্ৰদান কৰি আছে যে,এই উম্মত নিৰ্মল অদৃশ্যৰ সংবাদৰ পৰা বঞ্চিত নহয়। উপৰোক্ত আয়াত অনুযায়ী স্পষ্ট অদৃশ্যৰ সংবাদ লাভৰ বাবে নবুয়ত আৰু ৰিছালত প্ৰয়োজন। কিন্তু প্ৰত্যক্ষ ভাৱে নবুয়তৰ পথ ৰুদ্ধ হৈ গৈছে, গতিকে স্বীকাৰ কৰিব লাগে যে, আল্লাহৰ এই দানটো অৰ্জন কৰাৰ বাবে কেৱল বুৰুজ (আত্মিক বিকাশ) জিল্লী (প্ৰতিছবি) বা মানাফিৰ ৰছুলৰ বাটটো মুকলি আছে। গতিকে গভীৰ মনোযোগেৰে চিন্তা কৰক।

গতিকে মনত ৰাখিব লাগিব যে, মহম্মদ (ছাঃ)ৰ প্ৰতিবিম্ব ৰূপে মই নবী বা ৰছুল হোৱাটো অস্বীকাৰ নকৰো। এই অৰ্থত মুছলিম শ্বৰীফৰ হাদিছত প্ৰতিশ্ৰুত মছীহ মাওউদক নবী বুলি কোৱা হৈছে ।যিয়ে আল্লাহৰ পৰা অদৃশ্যৰ সংবাদ লাভ কৰে তাৰ নাম যদি নবী নহয় তেনেহলে কি নামত তেওঁক অভিহিত কৰিব পাৰে ? যদি কোৱা হয় তাক মুহাদ্দিছ বুলি কোৱা উচিত তেনেহলে মই ক'ব বিচাৰো যে,কোনো এটা অভিধানতো তাহদীছৰ অৰ্থ অদৃশ্যৰ সংবাদ বুলি পোৱা নাযায় ।কিন্তু নবুয়তৰ অৰ্থ হ'ল,অদৃশ্যৰ সংবাদ প্ৰদান কৰা। নবী আৰবী আৰু হিব্ৰু উভয় ভাষাৰ এটা শব্দ। হিব্ৰু ভাষাত এই শব্দৰ নবী আৰু এয়া নাবা ধাতুৰ পৰা উৎপন্ন হৈছে। ইয়াৰ অৰ্থ হ'ল। আল্লাহৰ পৰা কিবা জানি অদৃশ্যৰ সংবাদ প্ৰদান কৰা। নবীৰ বাবে চৰিয়তী হোৱাৰ চৰ্ত নাই ,নবুয়ত হ'ল আল্লাহৰ অপাৰ্থিৱ দান। ইয়াৰ দ্বাৰা অদৃশ্যৰ সংবাদ ব্যক্ত হয়।

গকিকে যিহেতু মই আজিলৈকে আল্লাহৰ ফালৰ পৰা প্ৰায় ডেৰ শ ভৱিষ্যতবাণী লাভ কৰি নিজ চকুৰে পূৰ্ণ হোৱাটো দেখিছোঁ। তেন্তে মই মোৰ নবী আৰু ৰছুল হোৱাটো কেনেদৰে অস্বীকাৰ কৰিব পাৰো ? য'ত স্বয়ং আল্লাহ তায়লা মোক নবী আৰু ৰছুল বুলি আখ্যায়িত কৰিছে। তেন্তে মই এয়া কেনেদৰে প্ৰত্যাখ্যান কৰিব পাৰো আৰু সেইজনাক এৰি দি আন

কোনোবাক ভয় কৰো ?
যি খোদাই মোক প্ৰেৰণ কৰিছে আৰু তাৰ প্ৰতি মিছা আৰোপ কৰাটো মহা পাপীৰ কাম, মই তাৰ শপত লৈ কৈ আছো যে,তেওঁ মোক মছীহ্ মাওউদ ৰূপে প্ৰেৰণ কৰিছে। মই যিদৰে কোৰাণ শ্বৰীফৰ আয়াতৰ প্ৰতি পূৰ্ণ ঈমান পোষণ কৰো তেনেদৰেই বিন্দু মাত্ৰ পাৰ্থক্য নকৰি মোৰ প্ৰতি অৱতীৰ্ণ আল্লাহৰ প্ৰতিটো স্পষ্ট ওহীৰ ওপৰত ঈমান পোষণ কৰো। এইবোৰৰ সত্যতা অবিৰত নিদৰ্শনৰ দ্বাৰা মোৰ ওচৰত প্ৰকাশিত হৈছে। মই কাবা ঘৰত থিয় হৈ শপত খাব পাৰো যে, এয়া সেই আল্লাহৰ বাণী যিয়ে হজৰত মুছা,হজৰত ঈছা আৰু হজৰত মহম্মদ (ছাঃ)ৰ প্ৰতি নিজৰ বাণী প্ৰেৰণ কৰিছিল। পৃথিৱী মোৰ হৈ সাক্ষী প্ৰদান কৰি আছে,আকাশ মণ্ডলীও মোৰ হৈ সাক্ষী প্ৰদান কৰিছে। আকাশ আৰু পাতাল উভয়েই ঘোষণা কৰিছে যে, মই আল্লাহৰ খলিফা। কিন্তু ভৱিষ্যতবাণী অনুযায়ী মোক প্ৰত্যাখ্যান কৰাটোও নিশ্চিত আছিল। যি সকলৰ হৃদয়ত আৱৰণ আছে সিহঁতে মোক গ্ৰহণ নকৰিব। যেনেদৰে খোদা তায়লা তাৰ নবী সকলক সহায় কৰে মই জানো নিশ্চয় তেওঁ মোক তেনেদৰেই সহায় কৰিব।মোৰ বিৰুদ্ধে কোনেও সফল হ'ব নোৱাৰে কিয়নো সিহঁতৰ লগত আল্লাহৰ সমৰ্থন নাই। যি ঠাই সমূহত মই নবী আৰু ৰছুল হোৱা বুলি অস্বীকাৰ কৰিছোঁ তাত এই অৰ্থত কৰিছোঁ যে,মই চৰিয়তী নবী নহয়,স্বাধীন আৰু স্বতন্ত্ৰ নবীও নহয়,কিন্তু মই মোৰ নেতা ৰছুলুল্লাহ (ছাঃ)ৰ আৰ্থিক কল্যাণ লাভ কৰি আৰু তেখেতৰ নামত নামাকৰণ হৈ তেখেতৰ মাধ্যমৰে মই আল্লাহৰ পৰা অদৃশ্যৰ জ্ঞান অৰ্জন কৰিছোঁ। এই অৰ্থত মই নবী আৰু ৰছুল। কিন্তু মোৰ কোনো নতুন চৰিয়ত নাই। এনে ধৰণৰ নবী হোৱাত মই কেতিয়াও অস্বীকাৰ কৰা নাই। কিন্তু এই অৰ্থত আল্লাহ তায়লা মোক নবী আৰু ৰছুল বুলি সম্বোধন কৰিছে। গতিকে এতিয়াও মই এই অৰ্থত নবী আৰু ৰছুল হোৱাটো অস্বীকাৰ নকৰো।

من نیستم رسول و دنیاورده اَم کتاب

এয়া মোৰ এটা উক্তি,ইয়াৰ অৰ্থ কেৱল এয়াই যে মই চৰিয়তী নবী নহওঁ।

হয় ! এটা কথা মনত ৰাখিব লাগিব আৰু কেতিয়াও পাহৰি নেযাব যে যদি মই নবী আৰু ৰছুল বুলি আখ্যায়িত হৈছো তথাপিও আল্লাহ্ তায়লা মোক জনাইছে যে,মোৰ প্ৰতি তাৰ এই কৰুণা সাক্ষাৎ হিচাপে হোৱা নাই কিন্তু আকাশত এজন পৱিত্ৰ সত্তা আছে যাৰ আত্মীয় শক্তি মোৰ মাজত ক্ৰিয়াশীল হৈছে। তেখেতৰ নাম হ'ল হজৰত মহম্মদ (ছাঃ)। তেখেত (ছাঃ)ৰ মধ্যবৰ্তীতাত দৃঢ়ভাৱে প্ৰতিষ্ঠিত হৈ আৰু তেখেতৰ মাজত বিলীন হৈ তেখেতৰ মহম্মদ আৰু আহমদ নাম অৰ্জন কৰি মই নবী আৰু ৰছুল হৈছো। অৰ্থাৎ মই আল্লাহৰ প্ৰেৰিত আৰু আল্লাহৰ পৰা অদৃশ্যৰ সংবাদ প্ৰাপ্ত হওঁ। কিয়নো মই প্ৰতিফলন আৰু প্ৰতিবিম্ব প্ৰতিক্ৰিয়াৰ প্ৰেম দৰ্পনৰ মাজেদি সেই নামটো অৰ্জন কৰিছোঁ। এনেদৰে খাতামান্নাবীয়িনৰ মোহৰ অক্ষুন্ন হৈ আছে। যদি কোনোবাই আল্লাহৰ এই ওহীৰ প্ৰতি ক্ষিপ্ত হয় যে,খোদা তায়লা কিয় মোৰ নাম নবী আৰু ৰছুল ৰাখিছে ? তেন্তে এয়া তাৰ মূৰ্খ সজাৰ পৰিচয়, কিয়নো মোৰ নবী আৰু ৰছুল হোৱাত নবুয়তৰ মোহৰ ভঙ্গ নহয়।(*)

(*) এয়া কিমান যে সুন্দৰ কথা যেনেদৰে খাতামান নাবিয়িনৰ মোহৰ ভঙ্গ নহ'ল। তেনেদৰেই আনফালে فَلَا يُظْهِرُ عَلٰى غَيْبِهٖٓ আয়াতত উল্লেখিত নবুয়ত বুলি যি বুজায় তাৰ পৰা উম্মতৰ কোনো এজন ব্যক্তিকো বঞ্চিত কৰা নহ'ল। কিন্তু যি হজৰত ঈছা (আঃ)ৰ নবুয়ত ইছলামৰ ছয় শ বছৰ আগৰ বুলি স্বীকৃত,তেখেতক এই পৃথিৱীত নমাই আনিলে ইছলামৰ একো বাকী নাথাকে। ইয়াৰ ফলশ্ৰুতিত খাতামান নাবিয়িন আয়াতৰ স্পষ্ট অস্বীকৃতি অনিবাৰ্য্য হৈ পৰে। ইয়াৰ ফলত আমি কেৱল প্ৰতিপক্ষৰ গালিহে শুনিব লগীয়া হম। গতিকে গালি দি থাকক

وَسَيَعْلَمُ الَّذِيْنَ ظَلَمُوْٓا اَيَّ مُنْقَلَبٍ يَّنْقَلِبُوْنَ ۝٢٢٨
(26:228)

অৰ্থাৎ অত্যাচাৰী সকলে অনতি বিলম্বে বুজিব পাৰিব যে, সিহঁত প্ৰত্যাগমনৰ

(উভতি অহাৰ) কোনখন ঠাইত প্ৰত্যাগমন হ'ব।

এয়া স্পষ্ট যে, যেনেদৰে মই নিজৰ বিষয়ে কওঁ যে,আল্লাই মোক নবী আৰু ৰছুল নামেৰে নামাকৰণ কৰিছে। তেনেদৰে মোৰ বিৰুদ্ধবাদী সকলে হজৰত ঈছা ইবনে মৰিয়ম সম্পৰ্কে কয় যে, তেখেত (আঃ) আমাৰ নবী কৰিম (ছাঃ)ৰ পিছত পৃথিৱীত দ্বিতীয়বাৰ আগমন কৰিব। যিহেতু তেখেত এজন নবী,গতিকে তেখেতৰ পুনৰ আগমনৰ ফলত তেনেদৰেই আপত্তি হ'ব যি আপত্তি মোৰ বিৰুদ্ধে কৰা হয়।অৰ্থাৎ খাতামান নাবিয়িনৰ **খাতামিয়তৰ** মোহৰ ভাঙি যাব। কিন্তু মোৰ বক্তব্য হ'ল,আঁহজৰত (ছাঃ)ৰ পিছত যিজন প্ৰকৃত পক্ষে খাতামান নাবিয়িন আছিল,তেখেতে মোক যদি নবী আৰু ৰছুল নামত অভিহিত কৰে তাত কোনো আপত্তি কৰাটো উচিত নহয়। আৰু ইয়াৰ ফলত খাতামিয়তৰ মোহৰ নাভাঙে, কিয়নো মই বাৰে বাৰে কৈছো যে, وَّاٰخَرِيْنَ مِنْهُمْ لَمَّا يَلْحَقُوْا بِهِمْ আয়াত অনুযায়ী মই বুৰুজী ৰূপে সেইজন খাতামুল আমবিয়া আৰু খোদা তায়লাই আজিৰ পৰা বিশ বছৰ আগত বৰাহিনে আহমদীয়া (নামক পুস্তকত) মোৰ নাম মহম্মদ আৰু আহমদ ৰাখিছে আৰু মোক আঁহজৰত (ছাঃ)ৰ সত্তা বুলি নিৰ্ধাৰিত কৰিছে। গতিকে এনেদৰে মোৰ নবুয়তৰ দ্বাৰা আঁহজৰত (ছাঃ)ৰ খাতামুল আমবিয়াৰ মৰ্যদাৰ মাজত একো ক্ষতি সাধন হোৱা নাই। কিয়নো ছাঁ নিজৰ মূল সত্তাৰ পৰা পৃথক হ'ব নোৱাৰে। যিহেতু মই প্ৰতিবিম্ব স্বৰূপ মহম্মদ (ছাঃ)ৰ। গতিকে এয়া খাতামান নাবিয়িনৰ মোহৰ ভঙ্গ কৰা নাই। কিয়নো মহম্মদ (ছাঃ)ৰ নবুয়ত মহম্মদ (ছাঃ)লৈকে সীমাবদ্ধ। অৰ্থাৎ যিহেতু মই বুৰুজী ৰূপে আঁহজৰত (ছাঃ)ৰ আৰু বুৰুজী ৰূপে সকলো মহম্মদী কামালাত মহম্মদী নবুয়তক ধৰি মোৰ প্ৰতিবিম্বৰ দৰ্পনত প্ৰতিফলিত হৈছে। তেন্তে স্বতন্ত্ৰ ব্যক্তি কৰ পৰা আহিলে যিয়ে পৃথক ভাৱে নবুয়তৰ দাবী কৰিলে। ভাল কথা, যদি তোমালোকে মোক গ্ৰহণ নকৰা তেন্তে জানি লোৱা, যিজন ব্যক্তি প্ৰতিশ্ৰুত মছীহ ৰূপত আৰু গুণত আঁহজৰত (ছাঃ)ৰ

নিচিনা হ’ব আৰু তেওঁ তেখেতৰ আহলে বয়াতৰ অন্তৰ্ভুক্ত হ’ব।(*)

(*) মোৰ পূৰ্ব পুৰুষ সকলৰ ইতিহাসৰ পৰা প্ৰমাণ হয় যে,মোৰ এজনী আইতা সম্ভ্ৰান্ত ফাতেমী বংশীয় ছৈয়দ আছিল,আঁহজৰত (ছাঃ) নিজেই ইয়াৰ সত্যায়ণ কৰিছে। সপোনত তেখেতে মোক কৈছে যে,

سلمان منا اهل البيت على مشرب الحسن

এই বাক্যত মোৰ নাম ছালামান ৰখা হৈছে অৰ্থাৎ দুটা ছালাম বা দুটা শান্তি। আৰবী ভাষাত ছালাম শব্দৰ অৰ্থ হ’ল শান্তি, এয়া নিৰ্ধাৰিত হৈছে যে,এটা হ’ল আভ্যন্তৰীণ শান্তি যিয়ে আভ্যন্তৰিণ হিংসা আৰু বিদ্বেষক আঁতৰাই দিব আৰু দ্বিতীয়টো হ’ল জাগতিক শান্তি যিয়ে বাহিৰৰ শত্ৰুতাৰ অস্তিত্বক বিলুপ্ত কৰি আৰু ইছলামৰ মহিমা প্ৰদৰ্শন কৰি অমুছলমান সকলক ইছলামৰ প্ৰতি আকৃষ্ট কৰিব। বুজিব পৰা যায় যে,হাদীছৰ যি ঠাইত ছালমানৰ কথা উল্লেখ আছে তাত মোকো সম্বোধন কৰা হৈছে। নহলে ছালমানৰ বাবে দুই প্ৰকাৰ শান্তিৰ ভৱিষ্যতবাণী পূৰ্ণ নোহোৱাত তাৰ বাবে প্ৰযুক্ত নহয়। মই আল্লাহৰ পৰা ওহী প্ৰাপ্ত হৈ কৈ আছো যে,মই হলো পাৰস্য বংশীয় আৰু কনজুল উমালৰ হাদীছ অনুসৰি পাৰস্য বংশীয় সকলেও বনি ইস্ৰাইলৰ আৰু আহলে বয়াতৰ (ঘৰৰ মানুহৰ) অন্তৰ্ভুক্ত।কাশফত (দিব্য দৰ্শনত) হজৰত ফাতিমা (ৰাঃ) মোৰ মূৰখন তাইৰ বুকুত ৰাখিছিল আৰু মোক দেখুৱাইছে যে,মই তাইৰ পৰা উদ্ভুত। এই কাশফটো বৰাহিনে আহমদীয়াত লিপিবদ্ধ আছে।

প্ৰকাশৰ নোট ঃ বৰাহিনে আহমদীয়াত উপৰোক্ত কাশফটো এনেদৰে লিপিবদ্ধ আছে যে,উপৰোক্ত ইলহামত ৰছুলে কৰিম (ছাঃ)ৰ বংশধৰৰ প্ৰতি দৰুদ প্ৰেৰণ কৰাৰ যিটো নিৰ্দেশ আছে ইয়াৰ মাজত এই ৰহস্য নিহিত আছে যে,ঐশিক কল্যাণ অৰ্জনৰ বাবে আহলে বয়াতক ভালপোৱাটো এটা অতি গুৰুত্ব পূৰ্ণ ভূমিকা। যিজন ব্যক্তি আল্লাহৰ নৈকট্য প্ৰাপ্ত সকলৰ অন্তৰ্ভুক্ত হয় সেই ব্যক্তিজন এইসকল পৱিত্ৰ লোক সকলৰ উত্তৰাধিকাৰী হয় আৰু সকলো

জ্ঞান আৰু তত্ব-জ্ঞানত সিহঁতৰ উত্তৰাধিকাৰী হিচাপে সাব্যস্ত হয়।ইয়াত এটা উজ্জ্বল দিব্য দৰ্শনৰ কথা মোৰ মনত পৰিল আৰু সেয়া হ'ল,এদিন মাগৰিবৰ নমাজৰ পিছত জাগ্রত অৱস্থাত অলপ সময়ৰ বাবে মই নিজকে হেৰুৱাই পেলাও যি অজ্ঞানতাৰ সদৃশ আছিল। তেতিয়া এটা অদ্ভুত জগত মোৰ সন্মুখত প্রকাশিত হয়। প্রথমে কেইজনমান মানুহৰ দ্রুত গতিত খোজকাঢ়ি যোৱাৰ শব্দ শুনিবলৈ পাওঁ,যেনেদৰে দ্রুত গতিত খোজ কাঢ়িলে জুতাৰ শব্দ ওলায়। ঠিক সেই সময়তে অত্যন্ত ব্যক্তিত্ব সম্পন্ন আকৰ্ষণীয় আৰু সুন্দৰ মুখমণ্ডলযুক্ত পাঁচ জন ব্যক্তি মোৰ সন্মুখত উপস্থিত হয়। অৰ্থাৎ নবী কৰিম (ছাঃ) হজৰত আলী (ৰাঃ) হজৰত হাছান (ৰাঃ) হজৰত হুছেইন (ৰাঃ) আৰু হজৰত ফাতিমা (ৰাঃ)। যিখিনি মোৰ মনত পৰে সিহঁতৰ মাজৰ পৰা হজৰত ফাতিমা অত্যন্ত স্নেহ আৰু মৰমেৰে স্নেহময় মাতৃৰ দৰে এই অজ্ঞৰ মূৰখন তাই নিজৰ বুকুত ৰাখিলে।ইয়াৰ পিছত মোক এখন কিতাপ প্রদান কৰা হ'ল,যাৰ বিষয়ে কোৱা হ'ল যে,এইখন হ'ল পৱিত্র কোৰাণ শ্বৰীফৰ ব্যাখ্যা,যিটো হজৰত আলী (ৰাঃ)য়ে লিখিছে,এতিয়া হজৰত আলী (ৰাঃ)ৰ এই ব্যাখ্যা তোমাক প্রদান কৰি আছে। فلحمد الله على ذٰلك
(বৰাহিনে আহমদীয়া প্রথম খণ্ড পৃষ্ঠা, ৫৯৯ টিকা নম্বৰ ৩)

আকৌ আন কিছুমান হাদীছত উল্লাখ আছে যে,তেওঁ মোৰ পৰা উদ্ভৱ হ'ব।এই গভীৰ ইঙ্গিতটো সেই কথাৰ ফালে গৈ আছে যে,তেওঁ আধ্যাত্মিকতাৰ ফালেৰে সেইজন নবীৰ মাজৰ পৰা ওলাব আৰু তেখেত আত্মীক ৰূপত হ'ব। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে,যি শব্দটোৰ দ্বাৰা আঁহজৰত (ছাঃ) নিজেই পৰস্পৰৰ মাজত সম্পৰ্ক প্ৰকাশ কৰিছে কেৱল এয়াই নহয় বৰং দুজনৰ নামও একেই ৰাখিছে।সেই শব্দৰ দ্বাৰা স্পষ্ট বুজা যায় যে,আঁহজৰত (ছাঃ) প্রতিশ্রুত ব্যক্তিক বুৰুজ বুলি ক'ব বিচাৰে,যেনেদৰে যশুৱা হজৰত মুছা (আঃ)ৰ বুৰুজ আছিল। বুৰুজৰ বাবে এয়া আৱশ্যকীয় নহয় যে,বুৰুজী ব্যক্তিজন আচল মানুহজনৰ পুত্র বা পৌত্ত হ'ব লাগিব।নিশ্চয় এয়া আৱশ্যকীয়

যে,যিজন ব্যক্তি আধ্যাত্মিকতাৰ সম্পৰ্কৰ ফালেৰে বুৰুজ হ'ব তেওঁক আচল মানুহজনৰ পৰা উদ্ভুত হ'ব লাগিব আৰু আদিৰ পৰা উভয়ৰ মাজত পাৰস্পাৰিক আকৰ্ষণ আৰু সম্পৰ্ক থাকিব লাগিব।আঁহজৰত (ছাঃ)ৰ লগত মাহ্দীৰ সম্পৰ্কটো যিসকলে দৈহিক বুলি ভাবে সিহঁতৰ মাজৰ পৰা কোনোবাই কৈছে যে,মাহদী হাছানৰ বংশধৰৰ পৰা হ'ব আকৌ কোনোবাই কৈছে যে,হুছেইনৰ বংশধৰৰ পৰা হ'ব আৰু কোনোবাই কৈছে যে,আববাছৰ বংশধৰৰ পৰা হ'ব। কিন্তু আঁহজৰত (ছাঃ)ৰ কেৱল এয়াই উদ্দেশ্য আছিল যে,তেওঁ সন্তানৰ দৰে তেখেতৰ অংশীদাৰ হ'ব। তেখেতৰ নামৰ, গুণৰ, জ্ঞানৰ, আধ্যাত্মিকতাৰ আৰু চাৰিওফালৰ পৰা তেওঁ নিজৰ মাজত তেখেতৰ প্ৰতিচ্ছবি দেখুৱাব। নিজৰ ফালৰ পৰা নহয়, কিন্তু সকলো বস্তু তেওঁ তেখেতৰ পৰা গ্ৰহণ কৰিব আৰু তেখেতৰ মাজত বিলীন হৈ তেখেতৰ চেহেৰা দেখুৱাব। গতিকে যি ধৰে বুৰুজী ৰূপে তেওঁ তেখেতৰ নাম,গুণ আৰু জ্ঞান অৰ্জন কৰিব,ঠিক তেনেদৰেই তেখেতৰ নবী উপাধিও গ্ৰহণ কৰিব কিয়নো বুৰুজী ছবি তেতিয়ালৈকে সম্পূৰ্ণ হ'ব নোৱাৰে যেতিয়ালৈকে এই ছবিখন চাৰিওফালেদি নিজৰ আচল (মানুহজনৰ) সম্পূৰ্ণতা প্ৰকাশ নকৰিব। গতিকে নবুয়ত যিহেতু নবীৰ মাজৰ এটা গুণ সেয়েহে বুৰুজী ছবিৰ মাজতো উক্ত গুণৰ বিকাশ হোৱাটো আৱশ্যকীয়। নবী সকলৰ আটাইয়ে এয়া স্বীকাৰ কৰি আহিছে যে,বুৰুজী ব্যক্তি মূল ব্যক্তিৰ পূৰ্ণ প্ৰতিচ্ছবি হিচাপে হৈয়ে থাকে, আনকি নামটিও একে হৈয়ে থাকে। গতিকে এনে অৱস্থাত এয়া স্পষ্ট বিষয় যে, যেনেদৰে বুৰুজী ৰূপে (ৰাশিচক্ৰ ৰূপে) মহম্মদ আৰু আহমদ নাম ৰাখিলে দুজন মহম্মদ আৰু দুজন আহমদ বুলি নুবুজায়,তথাপিও বুৰুজী ৰূপে নবী আৰু ৰছুল বুলি কলে খাতামান নাবিয়িনৰ মোহৰ ভঙ্গ নহয়, কিয়নো বুৰুজী সত্তা কোনো বেলেগ সত্তা নহয়। যদি এনেদৰে হয় তেনেহলে হজৰত মহম্মদ (ছাঃ)ৰ নামৰ নবুয়ত তেখেতলৈকে সীমাবদ্ধ হৈ থাকে। সকলো নবী ইয়াত একমত যে,বুৰুজৰ মাজত দ্বৈততা নাথাকে,কিয়নো বুৰুজৰ মৰ্যদা তলত বৰ্ণিত ৰূপত হৈ থাকে,

من تو شدم تو من شدی        من تن شدم تو جاں شدی
تا کس نہ گوید بعد زیں        من دیگرم تو دیگری

অর্থাৎ মই হলো তুমি, তুমি হলা মই। মই হলো দেহ তুমি হলা প্ৰাণ। পিছত যেন কোনেও ক'ব নোৱাৰে যে,মই বেলগ আৰু তুমি বেলেগ।

কিন্তু হজৰত ঈছা (আঃ) পৃথিৱীত দ্বিতীয় বাৰ আগমন কৰিলে খাতামান নাবিয়নৰ মোহৰ ভঙ্গ নকৰাকৈ তেখেত পৃথিৱীত কেনেকৈ আহিব ? গতিকে খাতামান নাবিয়িন হ'ল এটা ঐশী মোহৰ, যিটো আঁহজৰত (ছাঃ)ৰ নবুয়তৰ ওপৰত সংযুক্ত হৈছে। ইয়াৰ পিছত এই মোহৰটো ভঙ্গ হোৱাৰ কোনো সম্ভৱনা নাই। কিন্তু এয়া সম্ভৱ যে, আঁহজৰত (ছাঃ)এবাৰ নহয়,হাজাৰ হাজাৰ বাৰ পৃথিৱীত বুৰুজী ৰূপে অৱতীর্ণ হ'ব পাৰে আৰু বুৰুজী ৰঙেৰে সকলো গুণ সম্পন্ন হৈ নিজৰ নবুয়তো প্ৰকাশ কৰিব পাৰে। এই বুৰুজটো খোদা তায়লাৰ পৰা নির্ধাৰিত পদবী আছিল। উদাহৰণ স্বৰূপে আল্লাহ তায়লাই কয়,

وَّاٰخَرِيْنَ مِنْهُمْ لَمَّا يَلْحَقُوْا بِهِمْ ۭ
(62:4)

নবী সকলৰ নিজৰ বুৰুজৰ প্ৰতি ক্ৰোধ নাথাকে কিয়নো সিহঁতে সিহঁতৰ (মূলৰ) ছবি আৰু প্ৰতিচ্ছবিৰ দৰে হৈ থাকে। কিন্তু আনৰ বাবে নিশ্চত বাবে এয়া ক্ৰোধৰ কাৰণ হৈ থাকে। ভাবি চাওঁক, যেতিয়া হজৰত মুছা (আঃ) য়ে মিৰাজৰ ৰাতিত দেখিলে যে,আঁহজৰত (ছাঃ) তেখেতক এৰি আগুৱাই গৈছে,তেতিয়া তেখেতে কেনেদৰে ক্ৰন্দন কৰি মনৰ আবেগ প্ৰকাশ কৰিছিল। গতিকে যি অৱস্থাত খোদা তায়লা কয় যে,তোমাৰ পিছত আন কোনো নবী নাহিব আৰু তেওঁ নিজৰ কথাৰ বিপৰীত পুনৰায় হজৰত ঈছা (আঃ)ক পঠাই দিলে। এনে ক্ষেত্ৰত এয়া আঁহজৰত (ছাঃ)ৰ বাবে বৰ আবেগ সম্পন্ন কাম হ'ব। মুঠতে বুৰুজী নবুয়তৰ দ্বাৰা খাতামে নবুয়তৰ মাজত একো তাৰতম্য নঘটে আৰু মোহৰো নাভাঙে, কিন্তু আন কোনো নবী আহিলে ইছলামৰ মূল ইফাল সিফাল হৈ পৰেগৈ আৰু আঁহজৰত (ছাঃ)ক

একান্ত অপমানিত হ'বলগীয়া হয় যে,দাজ্জাল বধৰ ইমান ডাঙৰ কামটো হজৰত ঈছা (আঃ)ৰ দ্বাৰা সমাধান হ'ল আৰু আঁহজৰত (ছাঃ)ৰ দ্বাৰা নহ'ল আৰু মহিমান্বিত আয়াত (33:41) وَلٰكِنْ رَّسُوْلَ اللّٰهِ وَخَاتَمَ النَّبِيّٖنَ নাউজুবিল্লাহ মিছা প্ৰতিপন্ন হৈ যায়। উল্লেখিত আয়াতত এটা ভৱিষ্যতবাণী লুকাই আছে আৰু সেয়া হ'ল,কিয়ামতলৈকে নবুয়তৰ ওপৰত মোহৰ মাৰি দিয়া হৈছে আৰু বুৰুজী সত্তা অবিহনে যিয়ে স্বয়ং আঁহজৰত (ছাঃ)ৰ সত্তা আন কাৰোবাৰ মাজত এই শক্তি নাই যে,মুকলি বাবে নবী সকলৰ দৰে আল্লাহৰ পৰা কিবা অদৃশ্যৰ জ্ঞান অৰ্জন কৰিব। যিহেতু সেইজন বুৰুজী মহম্মদ মই নিজেই যি পূৰ্বৰে পৰা প্ৰকাশিত হৈ আছে। সেয়েহে বুৰুজী ৰূপৰ নবুয়ত মোক প্ৰদান কৰা হৈছে। এতিয়া এইখন নবুয়তৰ প্ৰতিযোগীতাত গোটেই জগতখন অসহায়।কাৰণ নবুয়তৰ ওপৰত মোহৰ মাৰি দিয়া হৈছে। সকলো মহম্মদী গুণতে ভূষিত এজন মহম্মদী বুৰুজ শেষ যুগৰ বাবে নিৰ্ধাৰিত আছিল। সেইমতে তেওঁৰ আবিৰ্ভাৱ ঘটিছে এতিয়া এই পথ অবিহনে নবুয়তৰ নিজৰাৰ পৰা পানী গ্ৰহণ কৰাৰ বাবে আন কোনো পথ মুকলি নাই। কথাৰ সাৰাংশ এয়া যে, বুৰুজীয় জাতীয় নবুয়ত আৰু ৰিছালতৰ দ্বাৰা খাতামিয়তৰ মোহৰ নাভাঙে আৰু হজৰত ঈছা (আঃ)ৰ অৱতাৰণৰ ধাৰণা যি আচলতে

(33:41) وَلٰكِنْ رَّسُوْلَ اللّٰهِ وَخَاتَمَ النَّبِيّٖنَ

আয়াতৰ মিছা সাব্যস্ত কাৰী আৰু এয়া খাতামিয়তৰ মোহৰ খনক ভাঙি পেলায় আৰু এনেধৰণৰ কথা বতৰা আৰু বিৰোধী আকিদাৰ (বিশ্বাসৰ) পৱিত্ৰ কোৰাণ শ্বৰীফত কতো চিহ্ন পোৱা নাযায়। যিহেতু এয়া উল্লেখিত আয়াতৰ সম্পূৰ্ণ বিপৰীত। গতিকে এয়া কেনেদৰে সম্ভৱ হ'ব পাৰে। কিন্তু এজন বুৰুজী নবী আৰু ৰছুলৰ আগমন কোৰাণ শ্বৰীফৰ দ্বাৰা প্ৰমাণিত হৈ আছে। উদাহৰণ স্বৰূপ আয়াত وَّاٰخَرِيْنَ مِنْهُمْ ৰ দ্বাৰা প্ৰকাশিত। এই আয়াতৰ মাজত বৰ্ণনাৰ এটা সূক্ষমতা আছে আৰু সেয়া হ'ল যি দলটোক চাহাবা বুলি গন্য কৰা হৈছে ইয়াত সিহঁতৰ উল্লেখ আছে কিন্তু ইয়াত উল্লেখিত বুৰুজৰ স্পষ্ট ভাৱে উল্লেখ হোৱা নাই। অৰ্থাৎ মছীহ মাওউদৰ (উল্লেখ হোৱা নাই)। যাৰ দ্বাৰা সেই সকল লোক চাহাবা সকলৰ শ্ৰেণীভুক্ত হ'ব আৰু যি

সকল চাহাবা সকলৰ দৰে আঁহজৰত (ছাঃ)ৰ শিক্ষাৰ অধীন বুলি গন্য কৰা হৈছে। এই কথাষাৰ উল্লেখ নকৰাৰ মাজত ইঙ্গিত লুকাই আছে যে,বুৰুজ হিচাপে উল্লেখিত ব্যক্তিৰ নিজৰ একো নাই। গতিকে বুৰুজী নবুয়ত আৰু ৰিছালতৰ দ্বাৰা খাতামিয়তৰ মোহৰ ভঙ্গ হোৱা নাই। গতিকে উল্লেখিত আয়াতৰ মাজত তেওঁক অস্তিত্বহীন বুলি ৰখা হৈছে, আৰু ইয়াৰ পৰিৱৰ্তে আঁহজৰত (ছাঃ)ক উপস্থাপন কৰা হৈছে।

অনুৰূপ ভাৱে إِنَّآ أَعْطَيْنَٰكَ ٱلْكَوْثَرَ آয়াতত এজন বুৰুজী ব্যক্তিৰ প্ৰতিশ্ৰুতি দিয়া হৈছে যাৰ যুগত কাউছাৰ প্ৰকাশিত হ’ব। অৰ্থাৎ ধৰ্মীয় কল্যাণৰ নিজৰা সমূহ প্ৰবাহিত হ’ব আৰু পৃথিৱীত বহু পৰিমাণে সঠিক ইছলাম ধৰ্মৰ আনুগত্যকাৰী হ’ব। এই আয়াতৰ মাজতো দৈহিক বংশধৰৰ প্ৰয়োনীয়তাক কমকৈ দেখুৱা হৈছে আৰু বুৰুজী বংশধৰৰ ভৱিষ্যতবাণী কৰা হৈছে। খোদা তায়লাই মোক এই সন্মানেৰে সন্মানিত কৰা সত্ত্বেও যে, মই ইস্ৰাইলি আৰু ফাতেমা বংশধৰৰ অন্তৰ্ভুক্ত তথাপি মই আধ্যাত্মিকতাৰ সম্পৰ্কক অগ্ৰগণ্য কৰো। যি আচলতে বুৰুজী সম্পৰ্ক। এতিয়া কথা হ’ল, মোৰ এইবোৰ লিখাৰ সাৰাংশ এয়া যে,যিজন মূৰ্খ বিৰুদ্ধাচৰণে মোৰ বিৰুদ্ধে অভিযোগ কৰে যে,এই মানুজনে নবী আৰু ৰছুল হোৱাৰ দাবী কৰিছে । (মনত ৰাখিব) এনে প্ৰকাৰৰ দাবী মোৰ কতো নাই। সিহঁতে যিদৰে ধাৰণা পোষণ কৰে মই তেনেধৰণৰ নবীও নহওঁ আৰু ৰছুলও নহওঁ। কিন্তু মই যিদৰে বৰ্ণনা কৰিছোঁ সেই অনুপাতত মই নবী আৰু ৰছুল। গতিকে যিয়ে দুষ্টতাৰে মোৰ বিৰুদ্ধে এনে অভিযোগ কৰে যে,মই (স্বতন্ত্ৰ) নবুয়ত আৰু ৰিছালতৰ দাবী কৰো তেওঁ মিছলীয়া আৰু এনে ধাৰণা অপৱিত্ৰ। মোক বুৰুজী ৰূপে নবী আৰু ৰছুল বুলি আখ্যায়িত কৰা হৈছে। ইয়াৰ ভিত্তিত খোদা তায়লাই বাৰে বাৰে মোৰ নাম নবীউল্লাহ আৰু ৰছুলুল্লাহ ৰাখিছে,কিন্তু বুৰুজী ৰূপে। ইয়াৰ মাজত মোৰ নিজস্য একো নাই, কিন্তু মহম্মদ (ছাঃ) বিৰাজমান আছে। এই কাৰণেই মোৰ নাম মহম্মদ আৰু আহমদ ৰখা হৈছে। মুঠতে নবুয়ত আৰু ৰিছালত আন কাৰোবাৰ ওচৰত নগ’ল,মহম্মদ

(ছাঃ)ৰ ওচৰতেই থাকিল।

আলাইহিছ্ছালাতু ওৱাছ্ছালাম।

ইতি

নিবেদন

মিৰ্জা গোলাম আহমদ কাদিয়ানী